অধ্যায় ১১ ঃ জন সম্পর্কীয় কাম-কাজবোৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ জন সম্পর্কীয় প্রাথমিক কাম-কাজবোৰ
১১.৪ মত প্রচাৰ
১১.৫ বিজ্ঞাপন প্রচাৰ
১১.৬ জন সম্পর্কীয় প্রচাৰ আৰু মত প্রচাৰৰ মাজৰ পার্থক্য
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জনসম্পর্কৰ সৈতে জড়িত থকা কাম-কাজবোৰক উল্লেখ কৰিব পাৰিব।
- অনুষ্ঠান সংস্থাৰ সৈতে জড়িত থকা জনসম্পর্কৰ প্রাথমিক কাম-কাজবোৰক বর্ণনা কৰিব পাৰিব।
- মত প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- জনসম্পর্কীয় মত প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ মাজৰ পার্থক্যক চিনাক্তকৰণ কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিত আমি জনসম্পকীয় কাম-কাজবোৰৰ ওপৰত প্রধানকৈ আলোচকপাত কৰা হ'ব। আপোনালোকে মত প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ বিষয়েও ধাৰণা কৰিবলৈ শিকিব; তাৰ লগতে এই বিষয় দুটাৰ প্রকার, সাদৃশ্য আৰু পার্থক্যকো জন সম্পর্কীয় কাম কাজবোৰত শিকিব পাৰিব।

১১.৩ ৰাজহুৱা সেৱা সম্প্রচাৰত ডিজিটেল প্রযুক্তিৰ প্রয়োগ

দ্রুত গতিৰে, তুমুলভাবে বৃদ্ধি পোৱা প্রতিযোগিতাৰ পৃথিৱীখনত সংস্থা, কোম্পানী আৰু অনুষ্ঠান-প্রতিষ্ঠানবোৰে সফলতাৰ দৌৰত আগবাঢ়ি থকাটো এক গুৰুত্বপূর্ণ বিষয়। এই কামৰ বাবে প্রতিদ্বন্দ্বীসকলৰ তুলনাত আগতকৈ অধিক ভাল কাম কৰি যাব লাগিব। কেৱল কাম-

কাজবোৰ ভালেকৈ কৰাটোৱেই যথেষ্ট নহয় সেয়েহে সংস্থা আৰু কোম্পানীবোৰে জন সম্পর্কৰ জৰিয়তে তেওঁলোকে ৰাইজৰ মাজত ভাল আৰু পাৰস্পৰিকভাবে হিতকাৰক সম্পর্ক বজাই ৰাখিব লাগিব। আশা কৰামতে ভাল ফলাফল পাবলৈ, ফলপ্রসূ সংযোগ স্থাপন কৰাৰ কাৰণে, জনসম্পর্ক হৈছে এটা আহিলা। জন সম্পর্কই প্রধানতঃ দুটা ক্রিয়া-কলাপৰ (i) পৰিচালক মণ্ডলীৰ ক্রিয়া কলাপ (i) সংযোগী ক্রিয়া কলাপ বা কার্য

পৰিচালক মণ্ডলীৰ ক্রিয়া-কলাপ বা কার্য ঃ

সাধাৰণতে অনুষ্ঠান-প্রতিষ্ঠানবোৰৰ পৰিচালক মণ্ডলীৰ বিভিন্ন ধৰণৰ ক্ষেত্র থাকে যিবোৰে তেওঁলোকক আটাইতকৈ বেছি সক্ষমতাৰে কাম-কাজ চলাই নিয়াৰ কাৰণে সহায় কৰে। তাৰে কিছুমান ক্ষেত্র হৈছে গৱেষণা আৰু বিকাশ, বিত্তীয় ব্যৱস্থা, আইনী ব্যৱস্থা, মানৱ-সম্পদ আৰু বিক্রী ব্যৱস্থা। এই প্রতিটো ক্ষেত্রই অনুষ্ঠানটোক সফল হোৱাৰ কাৰণে বৰঙণি দিয়ে। জন সম্পর্কীয় কাম-কাজবোৰ এনে ধৰণৰ অদ্বিতীয় যে এইবোৰে, অনুষ্ঠানটোৰ বিকাশ সাধন কৰে আৰু ইয়াৰ মূল ৰাইজ আৰু অংশীদাৰখিনিৰ মাজত সন্তোষজনক, দীর্ঘম্যাদী, বিশ্বাসজনকসম্পর্ক বজাই ৰখাৰ কাৰণে সহায় কৰে। যদিহে সঠিক ৰণ-কৌশলবোৰ ব্যৱহাৰ কৰা হয়, তেন্তে জন সম্পর্ক বিভাগটো অনুষ্ঠানটোৰ বাবে মহা মূল্যবান হৈ পৰে। জনসম্পর্ক হৈছে- সংযোগৰ কৌশল, সেয়ে ইয়াক পৰিচালক মণ্ডলীৰ ক্রিয়া-কলাপ বুলিয়েই ধৰা হয়। জন সম্পর্কই পৰিচালক মণ্ডলী আৰু ৰাইজৰ মাজত এনে কিছুমান খবৰৰ যোগান ধৰে, যাৰ ফলত উভয়পক্ষই পাৰস্পৰিক স্বার্থ ৰক্ষাৰ কাৰণে সিদ্ধান্ত লোৱাত সুবিধা হয়। জন সম্পর্কই ল'বলগীয়া সংযোগী কলা-কৌশলবোৰ হ'ল- বাতৰি দিয়া, বিষয়া-কর্মচাৰীৰ বাবে পত্র-বার্তা (News letters), সংবাদ মাধ্যমৰ ব্যৱস্থা, ৰেব্চাইট সমল, কক্তৃতা, ব্লগ, আৰু চছিয়েল মিডিয়া বা সামাজিক মাধ্যম ইত্যাদি। বহুত সময়ত, পেছাদাৰী জনসম্পর্কৰৰক্ষীসকলে অনুষ্ঠান একোটাৰ ভিতৰত কর্মৰত থকা পৰিচালকসকলৰ সৈতে একেলগ হৈ সমস্যাবোৰ চিনাক্ত কৰি, তাৰ সমাধান কৰে। জন-সম্পর্কৰক্ষীসকলে জনসম্পর্কৰ ভূমিকাবোৰৰ জৰিয়তে, আনবোৰ পৰিচালককো অনুষ্ঠান সম্পর্কীয় সমস্যাবোৰ সম্পর্কে চিন্তা কৰিবলৈ সহায় কৰে।

সংযোগী ক্রিয়া-কলাপ বা কার্য ঃ

জন সম্পর্ক হৈছে পৰিচালক মণ্ডলী আৰু সংযোগী ক্রিয়া-কলাপৰ এক মিশ্রিত উপাদান, যিকোনো অনুষ্ঠানক টিকি বা জীয়াই থাকিবলৈ হ'লে শীর্ষ স্থানৰ পৰিচালক মণ্ডলীৰ পৰা কর্মচাৰী, অংশীদাৰসকল, ইউনিয়ন আৰু অনুষ্ঠানৰ দ্বাৰা উৎপাদিত সামগ্রী অথবা সেৱা লাভ কৰি থকা ৰাইজলৈ, এক সফল সংযোগ গঢ়ি তোলাৰ প্রয়োজন আছে। জন সম্পর্কৰক্ষীসকল হৈছে সংযোগ বিশেষজ্ঞ। ৰাইজৰ মাজত ফলপ্রসূ সম্পর্ক স্থাপন কৰাৰ ক্ষেত্রত সংযোগ ব্যৱস্থাটোৱে এক গুৰুত্বপূর্ণ ভূমকা লয়, দুই মুখী সংযোগ ব্যৱস্থাটো বৰ জৰুৰী আৰু খবৰ বা বাতৰিবোৰ, উপযুক্তভাবে প্রস্তুত কৰি, তাক অনুষ্ঠান আৰু ৰাইজৰ মাজত প্রচাৰ কৰিব লাগিব। বাতৰি পঢ়োতাই বুজি পাব লাগিব যে বাতৰি প্রেৰকে ফলপ্রসূ জন সম্পর্কৰ কাৰণে, কি বাতৰি জনাব খুজিছে। বাতৰিবোৰে,

গ্ৰাহকসকলৰ মনত উৎপাদিত দ্ৰব্যবোৰৰ বিষয়ে ফলপ্ৰসূ প্ৰভাৱ পেলোৱাটো, বৰ প্ৰয়োজনীয় কথা। সংযোগী ক্ৰিয়া-কলাপবোৰে লক্ষ্য কৰি লোৱা ৰাইজ/ জনতাৰ ওপৰত ইমানেই শক্তিশালী প্ৰভাৱ পেলাব পাৰিব লাগিব যাতে ৰাইজে অনুষ্ঠানটোৰ প্ৰতি সদায় অনুৰাগী হৈ থাকে। জন সম্পৰ্ক বিষয়টোত গ্ৰাহকসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহম কৰে। পেছাদাৰী জন সম্পৰ্কৰক্ষীসকলে গ্ৰাহকসকলে বাতৰিবোৰক শুদ্ধ ৰূপত বুজি উঠে আৰু তেওঁলোকে প্ৰয়োজনীয় পৰিপুষ্টি লাভ কৰে আৰু পুনৰালোচনাবোৰ কৰিবলৈ সক্ষম হয়। সচাঁকৈয়ে অনুষ্ঠান এটাৰ কাৰণে তেওঁলোকৰ বাবে লক্ষ্য হোৱা ৰাইজৰ দৃষ্টিভংগীক বুজিপোৱোটা অতিশয় জৰুৰী। যদিহে গ্ৰাহকসকলে বাতৰি /বাৰ্তাবোৰ ভালকৈ বুজি নাজায়, তেন্তে জন সম্পৰ্কীয় কাৰ্য কলাপবোৰ কাৰো চকুতেই নপৰিব।

জন সম্পৰ্কৰ ভূমিকা ঃ

বিভিন্ন জন সম্পৰ্কৰক্ষী কাৰ্য-কলাপবোৰ সুনিশ্চিত কৰাত অসুবিধা হোৱাৰ কাৰণে পাব্লিক ৰিলেচনছ চ্ছাইটী অৱ আমেৰিকা (The Public Relations Society of America (PRSA)-ই জন সম্পৰ্কৰ সৈতে প্ৰধানকৈ জড়িত হৈ থকা কিছুমান ক্ৰিয়া-কলাপ বাচি-বিচাৰি উলিয়াইছে। সেই ক্ৰিয়া-কলাপ বাচি-বিচাৰি উলিয়াইছে। সেই ক্ৰিয়া কলাপবোৰ হ'লঃ

১। প্ৰচাৰ (Publicity)
২। সংযোগ ব্যৱস্থা (Communication)
৩। ৰাজহুৱা বিষয়সমূহ (Public Affairs)
৪। পৰিচালকমণ্ডলীৰ বিচাৰ্য বিষয় (Issue of Management)
৫। চৰকাৰী বিষয় (Government Relations)
৬। অৰ্থনৈতিক জনসম্পৰ্ক (Financial PR)
৭। সমুদায়/সামূহিক বিষয় (Community Relation)
৮। ঔদ্যোগিক বিষয় (Industrial Relations)
৯। সংখ্যালঘূ সম্প্ৰদায়ৰ বিষয় (Minority Relations)
১০। বিজ্ঞাপন (Advertising)
১১। প্ৰচাৰ (Press Agency)
১২। প্ৰচলন (Promotion)
১৩। সংবাদ মাধ্যমৰ সৈতে জড়িত বিষয় (Media Relations)

ওপৰত উল্লেখ কৰা ক্ৰিয়া-কলাপ আৰু সংজ্ঞাবোৰৰ বিষয়ে, আপোনালোকে প্ৰথম গোটটো (First Unit) অধ্যয়ন কৰি বুজি পালে। আমি এতিয়া জনসম্পৰ্কই ব্যৱহাৰ কৰা /চলাই থকা প্ৰাথমিক ক্ৰিয়া-কলাপবোৰৰ বিষয়ে তলত বৰ্ণনা কৰিম।

১। জন সম্পৰ্কই, সত্য তথ্যবোৰ, ইয়াৰ নিখুঁত মাত্ৰা আৰু বাস্তৱিকতাৰ সৈতে সম্পৰ্ক ৰাখে।

জন সম্পর্কই নীতি অনুযায়ী পৰিকল্পিত আঁচনিবোৰৰ বিকাশ কৰেষ যাতে ই জনতা /ৰাইজৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিব পাৰে আৰু যিকোনো ভাল আৰু নিখুঁত জনসম্পকীয় নীতিৰ বাবে প্ৰাথমিক ভেঁটিটো গঢ়ি তোলাত সহায়ক হয়।

২। জন সম্পর্ক বিষয়টো কোনো ব্যক্তিগত সেৱাৰ বাবে গঢ়ি উঠা নাই। ইয়াৰ প্ৰধান লক্ষ্য হৈছে ৰাজহুৱা স্বাৰ্থ; ই কোনো ব্যক্তিগত পুৰস্কাৰ লাভৰ বাবে কাম নকৰে।

৩। আগতেই উল্লেখ কৰা হৈছে যে জনসম্পর্কই ৰাজহুৱা স্বাৰ্থক কেন্দ্ৰ কৰি, তাৰ চাৰিওফালে প্ৰদক্ষিণ কৰিহে কাম-কাজ কৰে। যিকোনো জনসম্পর্কৰক্ষীয়ে কোনো আঁচনি আৰু নীতিবোৰৰ প্ৰতি ৰাইজৰ সমর্থন বিচাৰি ৰাইজৰ সৈতে নিয়োজিত হ'বলৈ সক্ষম হোৱাটো উচিত। জন সম্পর্কৰক্ষীসকলে কোনো বিপথে যোৱা গ্ৰাহক অথবা আঁচনিক প্ৰত্যাখ্যান কৰাৰ বাবেও সক্ষম হ'ব লাগে।

৪। পেছাদাৰী জন সম্পর্কৰক্ষীসকলে সংবাদ মাধ্যমৰ অনুষ্ঠান আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত হোৱা ব্যক্তিসকলৰ সহায়ত, স্বচ্ছতাৰে ৰাইজৰ ওচৰ চাপে। জনসম্পর্কক ৰক্ষীসকলে সম্পূৰ্ণভাবে পোনপটীয়াকৈ ৰাইজৰ সৈতে জড়িত হৈ থাকিব নালাগে।

৫। জন সম্পর্কৰক্ষীসকল হৈছে অনুষ্ঠান/ সংস্থাটো আৰু তাৰ সৈতে সংশ্লিষ্ট জনতাৰ মাজৰ মীমাংসক। সেয়েহে, তেওঁলোকে যাতে ফলপ্ৰসূভাবে সংযোগকাৰী হৈ বাতৰি। বার্তাবোৰক বাৰে বাৰে এনেকৈ যোগান ধৰিব লাগে, যেতিয়ালৈকে ৰাইজৰ মাজত বোধগম্যতা আৰু সচেতনতাৰ সৃষ্টি নহয়।

৬। জন সম্পর্ক এটা অনুমান ভিত্তিক ব্যৱস্থা নহয় ই অনুমান আৰু ধাৰণাৰ ওপৰত ভিত্তি কৰি কাম-কাজ নকৰে। ই দুইমুখী সংযোগৰ সৈতে জড়িত হৈ থাকে আৰু সেই সংযোগ হ'ব লাগিব দায়িত্বশীল সংযোগ। জন সম্পর্কই বিজ্ঞানসন্মত ৰাজহুৱা মতামত বিচাৰে, তাৰ কাৰণে ই যথেষ্ট পৰিমাণে গৱেষণা কৰি থাকে। ৰাইজৰ মনোভাৱ ভালকৈ জানিবলৈ জন সম্পর্কই সমাজ বিজ্ঞানৰ কিছুমান শাখাৰ যেনে- সামাজিক মনোবিজ্ঞান, সমাজতত্ত্বৰ সহায় ল'ব লাগিব।

৭। জন সম্পর্কৰক্ষীসকলে তেওঁলোকৰ বাবে লক্ষ্য হোৱা জনতা/ ৰাইজক সমস্যাবোৰৰ ব্যখ্যা কৰাৰ কাৰণে দায়বদ্ধ হ'ব লাগিব যাতে, এই সমস্যাবোৰে সংকট সৃষ্টি কৰিব নোৱাৰে। তেওঁলোকে ৰাইজক নিয়মিত বাতৰি আৰু উপদেশ দি থকা উচিত নহ'লে ৰাইজ হঠাতে আঁচৰিত হৈ পৰিব পাৰে।

৮। বাতৰি/ বার্তাবোৰৰ ফলপ্ৰসূতা বা ৰাইজৰ ওপৰত পৰা প্ৰভাৱ আৰু ৰাইজৰ সলনি হোৱা দৃষ্টিভংগীবোৰৰেই জন সম্পর্কই ৰচনা কৰা আঁচনিবোৰৰ মূল্যায়ন কৰা হয় । জন সম্পর্কৰক্ষীক মাত্ৰ এটা মানদণ্ডেৰেই জোখা হয় আৰু সেয়া হৈছে নীতি অনুযায়ী কৰা ক্ৰিয়া-কলাপ।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ জন সম্পর্কৰ দুটা প্ৰাথমিক ক্ৰিয়া-কাৰ্যৰ বিষয়ে কোৱা।

.....

.....

.....

প্ৰশ্ন ২ ঃ জন সম্পর্কৰ কিছুমান ক্ৰিয়া-কলাপৰ তালিকা এখন প্ৰস্তুত কৰা।

.....

.....

.....

১১.৪ উদ্দেশ্যধৰ্মী প্ৰচাৰ

জনসম্পর্ক বিষয়টোত, উদ্দেশ্যধৰ্মী প্ৰচাৰ হৈছে তাৰ নিয়োগকাৰীৰ হকে এক বুজনি বিশ্বাস জন্মাব পৰা এটা বিভাগ। জন সম্পর্ক হ'ল, কোনো ব্যক্তি, উৎপাদক দ্ৰব্য বা ধাৰণাক প্ৰচাৰ কৰা এক প্ৰতিনিধি; যি এক ধনাত্মক মতামতৰ পৰিৱেশৰ সৃষ্টি কৰে। এই লক্ষ্য পূৰন কৰিবলৈ জন সম্পর্কই নানা ধৰণৰ কলা-কৌশলক ব্যৱহাৰ কৰে। এইবোৰৰ জৰিয়তেই জন সম্পর্কই লক্ষ্য কৰি লোৱা ৰাইজৰ ওচৰ চাপে আৰু তেওঁলোকক প্ৰভাৱান্বিত কৰে। এই ধৰণৰ বুজনি মূলক বা বিশ্বাস জন্মোৱা পদ্ধতিক বাতৰি, যুক্তি আৰু প্ৰভাৱ পেৰোৱা এক মুখী প্ৰচাৰ বুলি বিবেচনা কৰা হয়।

বুজনি মূলক প্ৰচাৰ বা পদ্ধতিৰে আক্ৰমনাত্মক মতামত অথবা লুকাই ৰখা মতামতবোৰক সলাই পেলোৱা অথবা সমতা স্থাপন কৰাত ব্যৱহৃত হয়। বুজনিমূলক প্ৰচাৰৰ বাবে অতি কঠিন বিষয়টো হৈছে ঋণাত্মক মতামতবোৰক নিজৰ সপক্ষে সলনি কৰা। এই ক্ষেত্ৰত এটা প্ৰবচন কিন্তু সচাঁকৈয়ে সত্য; সেয়া হ'ল- "মোক কোনো যুক্তিৰেই বিভ্ৰান্ত নকৰিবা, মোৰ মন ইতিমধ্যেই স্থিৰ কৰি থোৱা হৈছে।"

যিজনে বাতৰি সৰবৰাহ কৰে, উদ্দেশ্যধৰ্মী প্ৰচাৰে প্ৰধানকৈ তেওঁৰ স্বাৰ্থৰ খাতিৰতহে সেৱা আগবঢ়ায়। ই হৈছে বুজনিমূলক প্ৰচাৰৰ বাবে এক ফলপ্ৰসূ আহিলা, যাৰ সহায়ত ৰাইজৰ মতামত আৰু বিশ্বাসৰ ওপৰত এক ছলনামূলক বাতৰি প্ৰচাৰ কৰা হয়। কোনবোৰ বাতৰি ৰাইজৰ মাজত প্ৰচাৰ কৰা হ'ব তাক বিভিন্ন ধৰণে বাচি উলিওৱা হয়। বাতৰিৰ গুণাগুণ আৰু তাক যি ধৰণে ব্যৱহাৰ কৰা হয়, তাৰেই এটা বাতৰিক মত প্ৰচাৰৰ কামত লগোৱা যায়। ৰাইজৰ আচৰণ, বিশ্বাস, ক্ৰিয়া-কলাপ, কোনটো শুদ্ধ, কোনটো ভুল, কোনটো সঁচা, কোনটো মিচা জাতীয় মনোভাৱৰ ওপৰত প্ৰভাৱ পেলাব পৰা যি কোনো ধৰণৰ সংযোগ ব্যৱস্থাক উদ্দেশ্যধৰ্মী প্ৰচাৰ (Propaganda) বুলি অভিহিত কৰিব পাৰি।

ৰিৰ্ডাছ ডাইজেষ্ট গ্ৰেট অভিধানখনে (The Reader's Digest Gread Dictionery) মত প্ৰচাৰৰ (Propaganda) অৰ্থ এনেদৰে ' কৰিছেঃ "পক্ষপাতমূলক অথবা বিপথগামী বাতৰিবোৰ ৰাজনৈতিক স্বাৰ্থ অথবা মতাদৰ্শৰ কাৰণত ব্যৱহাৰ কৰা হয়।"

উদ্দেশ্যধৰ্মী প্ৰচাৰৰ ধৰণ / প্ৰকাৰ ঃ

- ৰাইজক বুজোৱা অথবা মনাবৰ কাৰণে উদ্দেশ্যধৰ্মী প্ৰচাৰ হ'ল প্ৰণালীবদ্ধ আৰু পৰিকল্পিত পদক্ষেপ
- এই প্ৰচাৰে বাতৰি এটাৰ প্ৰচাৰৰ ক্ষেত্ৰত সত্যতা বা মিছলীয়া বিষয় বস্তুৰ ওপৰত গুৰুত্ব প্ৰদান নকৰে।
- যি কোনো উদ্দেশ্যধৰ্মী প্ৰচাৰে এক পক্ষীয় সংযোগ হোৱাত গুৰুত্ব দিয়ে।
- মত প্ৰচাৰে আনৰ দুৰ্বলতাক প্ৰদৰ্শন কৰে.
- ৰাজনৈতিক বক্তৃতাবোৰ হ'ল আটাইতকৈ বহুলভাবে প্ৰচাৰ হোৱা উদ্দেশ্যধৰ্মী প্ৰচাৰৰ এক উত্তম উদাহৰণ।

উদাহৰণ ঃ বহুত ৰাজনীতিবিদে নিজৰ কাৰ্যালয় চলাই থাকোতে নিজৰ ভাৰমূৰ্তি উজ্জবল কৰিবলৈ তেওঁলোকৰ বিৰোধী পক্ষৰ দোষ-ত্ৰুটিবোৰক প্ৰত্যক্ষ অথবা পৰোক্ষভাবে প্ৰচাৰ কৰি থাকে।

ৰাইজৰ ওচৰ চাপিবলৈ মত প্ৰচাৰকে বিভিন্ন মাধ্যম যেনে ৰেডিঅ' অনাতাৰ কেন্দ্ৰ, দূৰদৰ্শন বাতৰি কাকত আলোচনী আদিক, ব্যৱহাৰ কৰে। এনে ধৰণৰ শ্ৰোতা দশাছ্ৰক পটুৱৈয়ে লগে লগে বিৰোধিতা কৰিব নোৱাৰে, তেওঁলোকে মত প্ৰচাৰকজনক কেৱল মঞ্জুৰ বা নামাঞ্জুৰহে কৰিব পাৰে। যদিহে এজন ব্যক্তিয়েহে মত প্ৰচাৰৰ ধাৰণাটো সৃষ্টি কৰিছে, তেন্তে কোনো এজন ব্যক্তিয়ে সেই ধাৰণাটোৰ সহমত নহৈ নিজৰ মতামত ব্যক্ত কৰিব পাৰে। এই কামটো সৰু-সুৰু দলৰ ক্ষেত্ৰতো কৰিব পৰা যায়, সচাঁ কথা ক'বলৈ গ'লে মত প্ৰচাৰক সকলে (Propagandists) কোনো যুক্তিসংগত সহাঁৰি অথবা বাক্যলাপৰপ্ৰতি আগ্ৰহী নহয়, তেওঁলোকৰ প্ৰধান উদ্দেশ্য হৈছে, যিমান সংখ্যক পৰা যায় সিমান সংখ্যাক লোকৰ মতামতক তেওঁলোকৰ মতামতলৈ পৰিবৰ্তিত বা ৰূপান্তৰিত কৰা।

মানুহক বুজনি দিবলৈ বা ফুচুলাবলৈ হাজাৰ বছৰ জুৰি মত প্ৰচাৰ ব্যৱস্থাটোক (Propaganda) ব্যৱহাৰ কৰি অহা হৈছে। এই মত প্ৰচাৰ ব্যৱস্থাটো ৰজ্জস শতিকাৰ আৰম্ভণিতেই ব্যৱহাৰ কৰা হৈছিল। ১৬২২ চনত ৰোমান কেথলিক গীৰ্জাৰ ভিতৰত থকা টো মিচনেৰী সংস্থাৰ মাজত মত প্ৰচাৰ ব্যৱস্থাটো, তেওঁলোকৰ কাম-কাজৰ মাজত অন্তৰ্ভুক্ত হৈ পৰে- সেয়া আছিল-বিশ্বাসৰ সন্মিলিত বা একত্ৰিত কৰা। ()। ১৬৬২ চনত ভেটিকান ৰোমত মত-প্ৰচাৰৰ শিক্ষাৰ বাবে মহা বিদ্যালয় স্থাপন কৰে। খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰ যাতে বিদেশলৈ বিয়পি পৰিব পাৰে, সেই উদ্দেশ্য মিছনাৰীসকলক এনেবোৰ মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানত প্ৰশিক্ষম দিয়া হৈছিল। পিছলৈ এই ব্যৱস্থাটো সকলো ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰতে প্ৰযোজ্য হৈ পৰে। সেইদৰেই বিভিন্ন জাতি উপজাতিক

সংগঠিত কৰি, এখন শক্তিশালী কেন্দ্রীয় চৰকাৰ গঠন কৰা ক্ষেত্রো মত-প্রচাৰ ব্যৱস্থাটো ব্যৱহাৰ কৰা হৈছিল।

"মত-প্রচাৰ শব্দটোৱে ৰাইজৰ ওপৰত নেতিবাচক প্রভাৱ পেলায়, কাৰণ ইয়াৰ সৈতে পক্ষপাতিত্ব, চাতুৰি আৰু ভুল-বার্তা জড়িত হৈ থাকে, ১৯১৯ চনতএড্লফ্ হিটলাৰে "নেচনেলিষ্ট চছিয়েলিষ্ট জার্মান ৰর্কাছ পার্টি () গঠন কৰে। তেওঁৰ আত্মজীৱনীত লিখা ()নামৰ ৰাজনৈতিক ইস্তাহাৰখনত কোৱা হৈছিল যে - এখন সাম্রাজ্য, এদল জনতা, এজন নেতা। তেওঁ তেওঁৰ এই ধাৰণাটো আৰোপ কৰাৰ বিনিময়ত লাখ, লাখ, মানুহে মৃত্যুৰ সাৱতি ল'ব লগা হৈছিল। হিটলাৰৰ প্রচাৰৰ সংজ্ঞা দিছিল এনেদৰে- "ই হৈছে এক ৰাজনীতিৰ আহিলা, জনতাক নিয়ন্ত্রণ কৰা এক শক্তি।" গোৱেবলছে বিশ্বাস কৰিছিল, যে "তুমি পাৰিবা " সূত্রটোৰ ভেঁটি হৈছে- যদি তুমি উপযুক্ত ধৰণে কথা কোৱা, মানুহে যি কোনো ধৰণৰ কথাকে বিশ্বাস কৰিব।" তেওঁ হিটলাৰৰ সূত্রটো মানি চলিছিল; সেইটো হ'ল- "যিমানেই মিছা কথা এটা ডাঙৰ হৈ পৰিব, সিমানেই অধিক মানুহে তাক বিশ্বাস কৰিব।" তেওঁ সত্য আৰু বাস্তৱতকৈ মিথ্যা আৰু চাতুৰীত বেছি গুৰুত্ব দিছিল।

১১.৫ বিজ্ঞাপন / প্রচাৰ

বহুত সময়ত, প্রচাৰ কার্যক, জন সম্পকৰ আনটো নাম বুলি ক'ব পৰা যায়; পিছে ইয়াৰ দুটা ক্রিয়া-কলাপ আৰু ভাৱ-ধাৰাৰ জন সম্পর্কৰ সৈতে একে নহয়। সঁচাকৈয়ে প্রচাৰ হৈছে জনসম্পর্কই ব্যৱহাৰ কৰা এবিধ আহিলা। যিকোনো পেছাদাৰী জন সম্পর্কৰক্ষীয়ে জন সম্পর্ক বিষয়ক আঁচনি প্রয়োগ কৰাৰ সময়ত এজন প্রচাৰক অথবা প্রচাৰৰ সহায় লয় যাতে ই অধিক সংখ্যক জনতাৰ মাজত বিয়পি পৰিব পাৰে। বাস্তৱিকতে জন সম্পর্কৰ অর্থ হৈছে বাতৰি একোটা যি কোনো মাধ্যম, যেনেঃ বাতৰি কাকত দূৰদর্শন অথবা ইণ্টাৰনেটত দিব লাগে। অথবা ইয়াক কোনো বিশেষ মাধ্যম যেনে কর্পৰেট বা সংস্থাৰ প্রতিবেদন, বার্তা পত্রিকা বা পুস্তিকাতো দিব পাৰি। প্রচাৰ হৈছে এক গুৰুতবপূর্ণ ক্রিয়া- ইয়াৰ সহয়ত, কোনো এক অনুষ্ঠানৰ বাতৰি আকর্ষণীয় ভাবে অথবা ইয়াৰ উৎপাদিত সামগ্রী, সেৱা অথবা সুনাম প্রচাৰিত হয়। প্রচাৰ ব্যৱস্থাটোৱে কোম্পানী বা সংস্থাটোৰ আচৰণ-অথবা নীতি নির্দ্ধাৰণ অথবা জন সম্পর্কৰ আঁচনিবোৰৰ ওপৰত প্রভাৱ নেপেলায়। যিয়েই নহওক এটা কথা মন কৰিব লাগিব যে বিজ্ঞাপন আৰু প্রচাৰৰ মাজত এটা পার্থক্য আছে।

বিজ্ঞাপন হৈছে ধন খৰছ কৰি সংযোগ স্থাপন কৰা ব্যৱস্থা। যি কোনো সংস্থাই তাৰ সুনাম, ভাৱমূর্তি আৰু সেৱাক উন্নত কৰিবৰ কাৰণে এখন মনতে বিচাৰে। গতিকে এনে ধৰণৰ উন্নতি বিচাৰিবলৈ হ'লে সংস্থাটোৱে এটুকুৰা স্থান কিনি লয়। পিছে, প্রচাৰ ব্যৱস্থাটো হৈছে ধন খৰছ কৰিব নলগীয়া সংযোগ ব্যৱস্থা, এনে ব্যৱস্থাত অনুষ্ঠান বা সংস্থাটোৰ দ্বাৰা উৎপাদিত দ্রব্য অথবা সেৱা, ইয়াৰ কাম-কাজৰ বিষয়ে লিখা কিছুমান চমু বাতৰি বা লিখনী। বাতৰি কাগজৰ বা আলোচনীৰ সম্পাদকীয়, যিকোনো ৱেৱ-চাইট বা ব্লগ নতুবা দূৰদর্শন বা ৱেডিঅত অব্যৱসায়িক ভিত্তিত প্রচাৰ

কৰা যায়। এইবোৰ বাতৰি, মাধ্যমবোৰে নিজা ববীয়াকৈ নতুবা সংস্থাটোৰ মুখপাত্রজনে বিশেষভাবে কৰা অনুৰোধ ক্রমে প্রচাৰিত হয়। ই হৈছে উৎপাদিত দ্রব্য নতুবা সংস্থাটোৰ বিষয়ে দিয়া বাতৰি; নতুবা উৎপাদিত দ্রব্যৰ ভিত্তিত বা অনুষ্ঠানৰ বিষয়ে দিয়া বিৱৰণমূলক বাতৰিৰ দৰে। এই ধৰণৰ বাতৰিবোৰ আকর্ষণীয়, বার্তা-বাহক হোৱাটো জৰুৰী আৰু পঢ়ুৱৈ বা দর্শকৰ চকুত পৰাকৈ বাতৰি পঢ়োৱা বা সম্পাদকজনে প্রচাৰ কৰাটো বৰ প্রয়োজনীয় বা উচিত।

কোনো এক অনুষ্ঠানৰ বাবে বিজ্ঞাপনৰ দৰেই সংযোগ স্থাপন কৰাৰ ক্ষেত্রত প্রচাৰ ব্যৱস্থাটো বৰ প্রয়োজনীয়। বিজ্ঞাপনৰ তুলনাত প্রচাৰ ব্যৱস্থাটো হৈছে এক কৌশলী আহিলা যি বিজ্ঞাপনতকৈ অধিক বিশ্বাসযোগ্য কাৰণ মাধ্যবোৰক বাতৰিৰ উৎস বলিহে বিবেচনা কৰা হয়। সেয়েহে বাতৰিবোৰ হৈ পৰে অধিক গ্রহণযোগ্য। ইয়াৰ ফলত যথেষ্ট ধনৰ খৰছো ৰাহি হয়। প্রচাৰ ব্যৱস্থাটো উপযুক্তভাৱে পৰিচালনা কৰিলে ইয়াৰ পৰা অভাৱনীয়ভাবে উপকৃত হ'ব পাৰি। সেইদৰে ইয়াক বেয়াকৈ পৰিচালনা কৰিলে, ই যথেষ্ট ক্ষতি সাধন কৰিব পাৰে। তদুপৰি ই যথেষ্ট তথ্য সমৃদ্ধ আৰু সত্যবাদী হোৱা উচিত। এই প্রচাৰ ব্যৱস্থাটো সফল হ'বলৈ হ'লে প্রচাৰ মাধ্যমৰ বিষয়ে বাল জ্ঞান থাকিব লাগিব; তাৰ লগতে সম্পাদকীয় আৰু নীতি বিষয়ক, শ্রোতা-দর্শক আৰু কর্ম পদ্ধতিৰ বিষয়েও উচিত জ্ঞান থকাটো জৰুৰ, প্রচাৰ ব্যৱস্থাত প্রয়োজন হয়- পৰিকল্পনা, ফলপ্রসু লিখনী আৰু প্রাচৰ মাধ্যমৰ সৈতে অতি সুসম্পর্ক থাকিব লাগিব যাতে প্রচাৰিত হোৱা বাতৰিটোৱে তাৰ সপক্ষে যথেষ্ট পৰিমাণে সহাঁৰি পায়।

জন সম্পর্কৰ বহুতো ক্রিয়া কলাপ, প্রচাৰৰ সৈতে জড়িত হৈ থাকি। প্রচাৰৰ কাৰণে প্রয়োজনীয় উপাদানবোৰ হৈছে বাতৰি লিখা, ছৱি, প্রবন্ধ আৰু সমর্থিত তথ্যবোৰ। প্রচাৰৰ বাবে বাতৰি বোৰ প্রস্তুত কৰোতে, ই কেনে ধৰণৰ মাধ্যমৰ যোগেদি যেনেঃ বাতৰি কাকত, বিশেষ আলোচনী, ৰেডিঅ' নে দূৰদর্শনৰ বাতৰি, অথবা অন্ লাইনত দিয়া বাতৰি হ'বনেকি- এই মাধ্যমবোৰৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া উচিত। অপ্রণালীবদ্ধ ভাবে বাতৰি প্রচাৰ কৰিলে সময় আৰু ধনৰ অপব্যয়হে হয় আৰু এনে প্রচাৰে ৰাইজক আকর্ষণ নকৰে।

প্রচাৰ সম্পর্কীয় বা -বাতৰিবোৰ প্রধানকৈ দুই ধৰণে জনতাৰ মাজত বিয়পাি দিব পৰা যায়। ছপা মাধ্যমবোৰক এখন সংবাদ মেললৈ নিয়ন্ত্রণ জনাব পাৰি। তেনে সংবাদ মেলাবোৰত অনুষ্ঠানটোৰ পৰিচালকমণ্ডলী আৰু পেছাদাৰী জন সম্পর্কৰক্ষীসকলে মাধ্যমবোৰক সম্বোধন কৰি প্রয়োজনীয় ঘোষণাবোৰ কৰিব পাৰে। নতুবা এনে সংবাদ মেলতে তেওঁলোকে নিজৰ উৎপাদিত সামগ্রী অথবা সেৱাৰ বিষয়ে উপযোগী খবৰ বাতৰিৰে ৰাইজৰ বাবে মুকলি কৰি দিব পাৰে। সংবাদ মেলবোৰে সংবাদ মাধ্যম আৰু পৰিচালক মণ্ডলীক মুখা-মুখি কৰাই বাক্য বিনিময়ো কৰিব পাৰে; তাৰ ফলত বিশ্বাসযোগ্যতা অধিকবাঢ়ি যায়। সংবাদ মেলবোৰক সমর্থন জনাবলৈ সংবাদ-ফাইল প্রস্তুত কৰি থ'ব লাগে। সেই ফাইলত চমু টোকা , পুস্তিকা, টোকা, ফটো অথবা যিকোনো মূল্যবান বাতৰি থকা উচিত, এই বাতৰিবোৰ সংবাদ মাধ্যমে দি থকা বাতৰিবোৰো সংবাদ মেলত উপস্থিত থকা বিভিন্ন ধৰণৰ সংবাদ মাধ্যমক দিব লাগে।

দ্বিতীয় পথ বা উপায়টো হৈছে সংবাদ মাধ্যমৰ কোনো এটা কেন্দ্রৰ সৈতে পোনপটীয়া যোগাযোগ ৰাখি, আৱশ্যকীয় বাতৰিবোৰ মেইল যোগে পঠিয়াই থাকিব লাগে যাতে পাঠক আৰু দৰ্শকসকলৰ সৈতে অনবৰতে যোগাযোগ অব্যহত থাকিব পাৰে। পেছাদাৰী জন সম্পৰ্কৰক্ষীসকলে তেওঁলোকৰ নিজৰ কাম-কাজবোৰ ফলপ্রসূ কৰিবৰ কাৰণে সংবাদ-মাধ্যমৰ সৈতে সু-সম্পৰ্ক বজাই ৰখা উচিত।

১১.৬ জনসম্পর্ক, উদ্দেশ্যধর্মী প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ মাজত থকা পার্থক্য

উদ্দেশ্যধর্মী প্রচাৰ আৰু জন সম্পৰ্ক- উভয় পক্ষৰে প্রধান উদ্দেশ্য হৈছে, লক্ষ্য কৰি লোৱা জনতাৰ গ্রহণযোগ্যতাৰ ওপৰত প্রভাৱ পেলোৱা আৰু তেওঁলোকে আশা কৰা ফলাফল আৰু সহাঁৰি জনতাৰ পৰা আদায় কৰা। জনসম্পৰ্কৰক্ষী আৰু উদ্দেশ্যধর্মী প্রচাৰক, দুয়ো পক্ষই তেওঁলোকৰ নিজ, নিজ বার্তাবোৰ প্রচাৰ কৰিবলৈ সংবাদমাধ্যমক ব্যৱহাৰ কৰে। তথাপিও উদ্দেশ্যধর্মী প্রচাৰক সকলে সংগবদ্ধভাবে তেওঁলোকৰ ধাৰণ নতুবা একোটা উদ্দেশ্য প্রচাৰ কৰিবলৈ চেষ্টা কৰে; তেওঁলোকৰ কোনো নৈতিক ধাৰণা নাথাকিব পাৰে। ই হৈছে এক বুজনি মূলক, চাতুৰীমূলক প্রচাৰ। উদ্দেশ্যধর্মী প্রচাৰকসকলে নিজৰ লক্ষ্য পূৰণ কৰিবলৈ চাতুৰী, প্রলোভন আদিৰ সহায় লয়। আনহাতে, জন সম্পৰ্কৰক্ষীসকলে ৰাইজৰ মাজত মুকলিমূৰীয়া ভাবে ভাব বিনিময় কৰে; এয়াই হৈছে উদ্দেশ্যধর্মী প্রচাৰক আৰু জন সম্পৰ্কৰ মাজত থকা পার্থক্য। তদুপৰি জন সম্পৰ্কই প্রচাৰ কৰা বাতৰিবোৰে পৰিচালকমণ্ডলী আৰু ৰাইজৰ মাজত সুনাম আৰু বিশ্বাস গঢ়ি তুলিবলৈ চেষ্টা কৰে। জনসম্পৰ্কই সদায় সত্য আৰু যুক্তিপূর্ণ বাতৰিৰেহে জনতাক আকর্ষণ কৰিবলৈ চেষ্টা কৰে। জন সম্পৰ্ক সদায় সম্পূর্ণ সত্য বাতৰিৰ ওপৰতহে প্রতিষ্ঠিত হয়; ই অর্দ্ধ সত্য আৰু মিথ্যাৰ ওপৰত পঢ়ি নুঠে। জন সম্পৰ্ক হৈছে এক দীর্ঘ দিনীয়া যত্ন সহকাৰে চলোৱা প্রচেষ্টা আৰু ই জন স্বার্থৰ হকে কাম কৰে। মত প্রচাৰ হৈছে এক মুখী সংযোগ-ইয়াত লক্ষ্য কৰা জনতাই অসন্মতি জনাবলৈ নতুবা জনতাই সহাঁৰি দিবলৈ সুযোগ নাপায়। মত প্রচাৰে প্রয়োজন অনুসৰি মিথ্যা বা বিকৃত সত্যক নিজৰ লক্ষ্য পূৰণ কৰিবলৈ জনতাৰ মাজত বাতৰি প্রচাৰ কৰে। মত- প্রচাৰ হৈছে বৰ ক্ষণ স্থায়ী।

সাধাৰণ প্রচাৰবোৰ (Publicity) কিন্তু জন সম্পৰ্ক সৈতে একে বুলি ধৰি ল'ব নালাগে। প্রচাৰ হৈছে জন সম্পৰ্ক বর্তাই ৰখাৰ বাবে এক আহিলা আৰু জন সম্পৰ্ক ৰক্ষাৰ বাবে এখন সহায়ক হাত সদৃশ। গতিকে ছাত্র-ছাত্রীসকলে নিশ্চয় বুজি উঠিছে যে জন সম্পৰ্ক হৈছে এক পৰিকল্পিত, সাৱধানী আৰু দীর্ঘদিনীয়া প্রচেষ্টা যাৰ সহায়ত পৰিচালকমণ্ডলী আৰু জনতাৰ মাজত পাৰস্পৰিক বিশ্বাস আৰু সুনাম গঢ়ি তোলা হয়। এই উদ্দেশ্য পূৰণ কৰিবলৈ প্রচাৰ কাযচ্ছক ব্যৱহাৰ কৰা হয়। জন সম্পৰ্কই সংবাদ মাধ্যমত, পৰিচালক মণ্ডীল অথবা কোনো ব্যক্তিগত উপস্থিতিক লৈ সচেতন হৈ থাকে। প্রচাৰবোৰ গঠন কৰোতে কোনো বাতৰি, প্রৱন্ধ আৰু ঘটনা সম্বলিত বাতৰিবোৰৰ সহায় লোৱা হয়। প্রচাৰ- বোৰে কোনো মার্কা মৰা (Brand) দ্রব্য বা সেৱাৰ বিষয়ে ৰাইজৰ মাজত সচেতনতাৰ সৃষ্টি কৰে আৰু প্রচাৰকসকলে তেওঁলোকক নিয়োজিত

কৰা অনুষ্ঠানটোৰ দ্বাৰা উৎপাদিত দ্রব্য আৰু সেৱাৰ বিষয়ে ৰাইজক অৱগত কৰে।

জনসম্পর্কৰ বিপৰিতে প্রচাৰক সকলে ৰাইজৰ আকর্ষণৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰে। প্রচাৰ আৰু জনসম্পর্কৰ মাজত ছকা পার্থক্যটো হৈছে যে জনসম্পর্কই ৰাইজৰ মনোযোগৰ ওপৰতহে গুৰুত্ব দিয়ে। জনসম্পর্কৰ উদ্দেশ্য হ'ল কোনো এটা অনুষ্ঠান বা সংস্থাৰ লক্ষ্য পূৰণ কৰিবলৈ নীতিবদ্ধ এনে ধৰণৰ উপযুক্ত দর্শক, শ্রোতাৰ মাজত প্রচাৰ কৰে যাতে তেওঁলোকৰ জ্ঞান,আচৰণ আৰু দৃষ্টিভংগী বা মনোভাবৰ ওপৰত প্রভাব পেলাব পাৰে। চমুকৈ কবলৈ হ'লে জনসম্পর্কই তেওঁলোকৰ নিয়োগকর্তাৰ সুনাম ৰক্ষা কৰাৰ লগতে প্রভাবিত ৰাইজৰ মাজত এক সুসম্পর্ক গঢ়ি তোলে। পৰিচালকমণ্ডলীৰ ক্রিয়া-কলাপৰ সৈতে জড়িত থকা, জনসম্পর্কই সুসম্পর্ক আৰু ভাল ভাবমূর্তি গঢ়ি তোলাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে। জনসম্পর্কত, প্রচাৰ কার্যই নিয়োগকর্ত্তক, সংবাদ মাধ্যমৰ জৰিয়তে তাৎক্ষণিকভাবে নিজৰ লক্ষ্য পূৰণত সহায় কৰি থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ জন সম্পর্ক আৰু মত প্রচাৰৰ মাজৰ পার্থক্যবোৰৰ বিষয়ে লিখক।

.....

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জন সম্পর্কৰ দুটা প্রধান কার্য হ'ল (১) পৰিচালক মণ্ডলীৰ কার্য (২) সংযোগী ব্যৱস্থাৰ কার্য
- জন সম্পর্ক হৈছে পৰিচালক মণ্ডলীৰ এনে এক ক্রিয়া-কলাপ, যি অনুষ্ঠানটোৰ বিকাশ আৰু ইয়াৰ সৈতে জড়িত থকা মূল জনতা অংশীদাৰসকলৰ মাজত সুসম্পর্ক বজাই ৰাখিবলৈ ফলপ্রসূ ভাবে সংযোগ অব্যহত ৰাখে। কোনো অনুষ্ঠান আৰু ৰাইজৰ মাজত, সন্তোষজনক, দীর্ঘ-দিনীয়া বিশ্বাসযোগ্য সম্পর্কক ৰখাৰ কাৰণে সংযোগ ব্যৱস্থাটো হ'ল এক মূল চাবি-কাঠি।
- জনসম্পর্কৰ ক্রিয়া- কলাপবোৰত পৰিচালনা মণ্ডলীৰ ক্রিয়া-কলাপ আৰু সংযোগ ব্যৱস্থাৰ ক্রিয়া-কলাপবোৰ মিশ্রিত হৈ থাকে। যি কোনো অনুষ্ঠানক দীর্ঘ-দিনীয়া আৰু সফল সম্পর্কক, শীর্ষ মহলৰ পৰা ইয়াৰ সাধাৰণ জনতা যেনে- কর্মচাৰী, অংশীদাৰসকল ইউনিয়ন (একতা সভা) আৰু ইয়াৰ উৎপাদিত দ্রব্য কিনোতা অথবা সেৱা গ্রহণ কৰোতা-

সকলৰ বজাই ৰাখিবৰ কাৰণে সংযোগী ফলপ্ৰসূ ব্যৱস্থাৰ প্ৰয়োজন হয়. অনুষ্ঠানটোত, ৰাইজৰ মনোভাব আৰু আলোচনা-বিলোচনাবোৰ জানিবৰ কাৰণে সুযোগ থকাৰ প্ৰয়োজন আছে লক্ষ্য কৰা জনতাই যাতে অনুষ্ঠানক সংস্থাটোৰ প্ৰতি সদায় সদয় অথবা অনুৰাগী হৈ থাকে তাৰ কাৰণে সংযোগী ব্যৱস্থাটোৱে শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰাটো গুৰুত্বপূৰ্ণ।

- এই দুটা প্ৰধান ক্ৰিয়া-কলাপৰ উপৰিও জন সম্পৰ্কৰ আঠটা মূল ক্ৰিয়া-কলাপ আছে। তাৰ লগতে জনসম্পৰ্কই জড়িত হৈ থকা তেৰটা তালিকাভূক্ত কাম-কাজো থাকে।
- জন সম্পৰ্কই বুজনি বা অনুপ্ৰাণিত কৰিব পৰা ধৰণৰ সংযোগ ব্যৱস্থা হোৱাৰ কাৰণে, ই নিয়োগকৰ্তাৰ হকে কাম কৰে। বুজনি বা অনুপ্ৰাণিতমূলক সংযোগী ব্যৱস্থাটোৱে প্ৰতিবাদী মতামতবোৰক সলনি কৰে নতুবা সমতা বজাই ৰাখিব পাৰে। এই ব্যৱস্থাই লুকাই থকা মতামতবোৰক পোহৰলৈ উলিয়াই আনে আৰু ৰাইজৰ মাচত ধনাত্মক মনোভাৱ আৰু সপক্ষে থকা মতামতবোৰক সংৰক্ষণ কৰে।
- মত প্ৰচাৰ (Propaganda) ব্যৱস্থাটোৱে প্ৰধানতঃ বাতৰি সৰ্ৱৰাহ কৰোতাজনৰ স্বাৰ্থৰ হকে কাম কৰে। ই হৈছে এক ফলপ্ৰসূ হাথিয়াৰ বা আহিলা, যাৰ সহায়ত ৰাইজৰ মতামত আৰু বিশ্বাসক প্ৰভাৱিত কৰিবলৈ চাতুৰীপূৰ্ণ মন ভুলোৱা বাতৰিবোৰ প্ৰচাৰ কৰা হয়। এইবোৰ হৈচে এক পক্ষীয় বার্তা আৰু মাত্ৰ একমুখীভাবে কৰা সংযোগ ব্যৱস্থা।
- প্ৰচাৰৰ অৰ্থ হৈছে বাতৰিবোৰ যিকোনো প্ৰচাৰ মাধ্যম, যেনে- বাতৰি-কাকত, দূৰদৰ্শন অথবা ইণ্টাৰনেটৰ যোগেদি প্ৰচাৰ কৰা। নতুবা, এই বাতৰিবোৰক কিছুমান বিশেষ মাধ্যম যেনে- কোম্পানী আৰু সহযোগী সকলৰ প্ৰতিবেদন, বার্তা পুস্তিকা নতুবা ইস্তাহাৰৰ যোগেদিও প্ৰচাৰ কৰে। প্ৰচাৰ কার্য হ'ল এক অতি গুৰুত্বপূৰ্ণ ক্ৰিয়া-কলাপ আৰু ইয়াৰ সহায়ত কোনো এক অনুষ্ঠান বা সংস্থাই ৰাইজৰ মাজত, ইয়াৰ দ্বাৰা উৎপাদিত দ্ৰব্য, সেৱা, সুনামৰ প্ৰতি আকৰ্ষিত কৰিব পৰা বাতৰিবোৰ বিয়পাই দিয়ে।
- মত প্ৰচাৰ (Propaganda) হৈছে এক সংগবদ্ধ প্ৰচেষ্টা, যাৰ সহায়ত নৈতিকতা পূৰ্ণ দৃষ্টিভংগী নথকা বাতৰি বা মতামতক প্ৰচাৰ কৰা যায়. ই হ'ল এক স্বাৰ্থনেষী ফুচুলনিমূলক ভাৱধাৰাৰ ভিত্তিত প্ৰতিষ্ঠিত বাতৰি। ইয়াৰ উপাদানবোৰ যেনেঃ ফুচুলনি আৰু চাতুৰীৰে মত প্ৰচাৰকৰ আকাংক্ষিত লক্ষ্য পূৰণ কৰা হয়। জন সম্পৰ্কই প্ৰচাৰ কৰা,মুকলি, ভাব বিনিময় কৰা বাতৰিবোৰৰ সৈতে মত প্ৰচাৰৰ বাতৰিবোৰৰ মাজত যথেষ্ট পার্থক্য আছে। জন সম্পৰ্কই কোনো এক অনুষ্ঠান বা সংস্থা আৰু ৰাইজৰ মাজত সুসম্পৰ্ক আৰু বিশ্বাস গঢ়ি তুলিব পৰা বাতৰিবোৰহে প্ৰচাৰ কৰে। ৰাইজক বুজনি দিয়া নতুবা মনাবৰ কাৰণে জনসম্পৰ্কই সত্য আৰু যুক্তিপূৰ্ণ তথ্য থকা বাতৰিবোৰকহে প্ৰচাৰ কৰে। জনসম্পৰ্কীয় বার্তাবোৰ সত্যৰ ওপৰতহে প্ৰতিষ্ঠিত। ই অৰ্দ্ধসত্য নতুবা মিথ্যাচাৰীতাৰ ওপৰত প্ৰতিষ্ঠিত নহয়।
- প্ৰচাৰ কার্যই কোনো এক বিশেষ দ্ৰব্যৰ প্ৰতি ৰাইজক সচেতন কৰিবলৈ আৰু মনোযোগ বঢ়াবলৈ বাতৰি প্ৰচাৰ কৰে। তাৰ ফলত উৎপাদনকাৰী বা সেৱা আগবঢ়াওঁতাসকলে


লাভবান হয়। জন সম্পর্কৰ বিপৰীতে প্রচাৰ কার্যক মাথোন ৰাইজক আকর্ষণ কৰিবলৈহে ব্যৱহাৰ কৰা যায়। প্রচাৰ কার্য আৰু জনসম্পর্কৰ মাজত থকা পার্থক্যটো হ'ল- জন সম্পর্কই জনতাক আকর্ষণ কৰা কার্যতে কেৱল গুৰুত্ব নিদিয়ে। জনসম্পর্কৰ উদ্দেশ্য হৈছে নীতিৱদ্ধভাবে প্রস্তুত কৰা বাতৰিবোৰ উপযুক্ত দর্শক, শ্রোতা, পঢ়ুৱৈসকলৰ মাজত প্রচাৰ কৰি অনুষ্ঠান নতুবা সংস্থাটোৰ নির্দ্ধৰিত লক্ষ্য পূৰণ কৰিব পৰা যায়। তাৰ লগতে এনে বাতৰিয়ে জনতাৰ জ্ঞান, আচৰণ আৰু মনোভাৱৰ ওপৰত আশা কৰাৰ দৰে প্রভাৰ বিস্তাৰ কৰাই জন সম্পর্কৰক্ষীৰ এক গুৰুত্বপূর্ণ লক্ষ্যত থাকে।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

- উইলকক্স (Wilcox), ডেনিচ্ (Dennis) কেমেৰুণ (Camaron), গ্লেন (Glen),ৰেবেৰ (Reber) ব্রায়ান ২০১৫ (Brayan)। পাব্লিক ৰিলেচনছ; ষ্ট্রেটেজিজ্ এণ্ড() একাদশ সংস্কাৰণ; এচেক্সঃ পিয়েৰচন (Public Relation: Stretegic and Tactics, Eleventh Edition: Essex: PEARSON)
- নিউচম (Newsom), ডগ, (Doug), তুর্ক ভি, জুডি (Judy), ক্রাকে'বার্গ (Kruckebery), ডীন (Dean) (২০০০). This is PR: Realities of Public Relation (জনসম্পর্কৰ বাস্তৱিকতা)। Seventh Edition. Singapore: Wadsworth Thomson Learning: সপ্তম সংস্কাৰণ। চিংগাপুৰঃ ৰাডছ্ৱর্থ থমছন লার্ণিং
- ৰিড্ডী, চি. ভি. এন (Reddi, C.V.N),২০১৩ এফক্টিভ পাব্লিক ৰিলেচনছ্ এণ্ড মিজিয়া ষ্ট্রেটেজি (Effective Public Relations and Media Strategy: Second Edition. Prentice Hall India Learning Private Limited.)
  দ্বিতীয় সংস্কাৰ। প্রেণ্টিছ হল ইণ্ডিয়া লার্ণিং প্রাইভেট লিমিটেড



১১.৯ অগ্রগতিৰ খতিয়ান

১। নং প্রশ্নৰ উত্তৰঃ জন সম্পর্কৰ দুটা প্রধান ক্রিয়া-কলাপ হ'ল- (১) পৰিচালক মণ্ডলীৰ ক্রিয়া-কলাপ (২) সংযোগী ব্যৱস্থাৰ ক্রিয়া-কলাপ

২। নং প্রশ্নৰ উত্তৰ ঃ জনসম্পর্কৰ কিছুমান কাম-কাজক, আমেৰিকাৰ জনসম্পর্ক সংস্থাই (The Public Relations Society of America) তলত উল্লেখ কৰা ধৰণে তালিকাভুক্ত কৰিছেঃ

প্রচাৰ, সংযোগ, ৰাজহুৱা বিষয়, পৰিচালক মণ্ডলীৰ বিচার্য বিষয় (Issues), চৰকাৰী সম্পর্ক, বিত্তীয় জন সম্পর্ক, সামাজিক সম্পর্ক, ঔদ্যোগিক সম্পর্ক, সংখ্যা লঘু সম্পর্ক, বিজ্ঞাপন, প্রেছ এজেন্সি, উৎকর্ষ। মর্যদা বর্দ্ধন, সংবাদ মাধ্যমৰ সৈতে সম্পর্ক বজাই ৰখা।

৩। নং প্রশ্নৰ উত্তৰ ঃ মত প্রচাৰ (Propaganda) আৰু জন সম্পর্ক উভয়ৰে প্রধান লক্ষ্য হৈছে ৰাইজৰ অনুভূতিৰ ওপৰত প্রভাৱ পেলোৱা আৰু আকাংশ ফলাফলক বিস্তাৰ কৰা আৰু লক্ষ্য কৰা ৰাইজ জনতাৰ পৰা সহাঁৰি লাভ কৰা। ই হৈছে এক দীর্ঘম্যাদী প্রচেষ্টা আৰু ইয়াত ৰাইজ সম্পর্কীয় স্বার্থ জড়িত হৈ থাকে। মত প্রচাৰ (Propaganda) হৈছে একমুখী সংযোগ ব্যৱস্থা। তদুপৰি, মত প্রচাৰ হৈছে এক ধাৰণা অথবা কাৰণক প্রচাৰ কৰা এক সংগৱদ্ধ প্রচেষ্টা আৰু ইয়াৰ সৈতে কোনো নৈতিক বিষয় জড়িত হৈ নাথাকিবও পাৰে। ই হৈছে এক স্বার্থানে ভিত্তিক বুজনি বা ফুচুলনি। আকাংক্ষিত লক্ষ্য পূৰণ কৰিবলৈ মত প্রচাৰকসকলে ফুচুলনি আৰু চল-চাতুৰীক ব্যৱহাৰ কৰে। জনসম্পর্কই প্রচাৰ কৰা মুকলি, ভাব বিনিময় কৰা বাতৰিবোৰৰ সৈতে মত প্রচাৰৰ বাতৰিবোৰৰ মাজত যথেষ্ট পার্থক্য আছে। জন সম্পর্কই কোনো এক অনুষ্ঠান বা সংস্থা আৰু ৰাইজৰ মাজত সু সম্পর্ক আৰু বিশ্বাস গঢ়ি তুলিব পৰা বাতৰিবোৰকহে প্রচাৰ কৰে। ৰাইজ/ জনতাক অনুৰাগী বা অনুপ্রাণিত কৰিবৰ কাৰণে জন সম্পর্কই সত্য তথ্য আৰু যুক্তিপূর্ণ বাতৰি বোৰকহে প্রচাৰ কৰে।



১১.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

১ নং প্রশ্নঃ জনসম্পর্কৰ দুটা প্রধান কার্য কি কি?

(খ) চমু প্রশ্নঃ (প্রায় ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১ নং প্রশ্নঃ মত প্রচাৰৰ সংজ্ঞা দিয়া। মত প্রচাৰৰ ধৰণটোক ব্যাখ্যা কৰক।

২ নং প্রশ্নঃ প্রচাৰে কি বুজায়? প্রচাৰ আৰু জন সম্পর্কৰ মাজৰ পার্থক্যবোৰ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১ নং প্রশ্নঃ জন সম্পর্কৰ পাঁচটা মূল ক্রিয়া-কলাপৰ বিষয়ে ব্যাখ্যা কৰক।

২ নং প্রশ্নঃ মত প্রচাৰ হৈছে জনতাক মনাবলৈ (ফুচুলাবলৈ) ব্যৱহাৰ কৰা এক হাথিয়াৰ (আহিলা।

****